# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-JAN-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
**Headlines**
**-------------------**

ooooo

১।	ডিব্ৰুগড়ৰ খোৱাঙত প্ৰায় ২৩ হাজাৰ মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ উদ্যমিতা পুঁজিৰ চেক বিতৰণ। লখিমপুৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২।	ভোটাৰ তালিকাৰ খচৰাত সন্দেহজনক লোকৰ নাম দেখা মাত্ৰেই কৰ্তন কৰাৰ বাবে আবেদন জনাবলৈ ৰাজনৈতিক দলসমূহক  মুখ্যমন্ত্ৰীৰ আহ্বান।

৩।	উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰায় ৬ লাখ কোটি টকা বিনিয়োগ কৰা হৈছে বুলি কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙৰ মন্তব্য।

৪।	প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, বিজেপিৰ জ্যেষ্ঠ নেতা কবিন্দ্ৰ পুৰকায়স্থৰ আজি শিলচৰত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন।
**আৰু**

৫।	উত্তৰ গুৱাহাটীৰ ৰংমহললৈ গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰোধিতাৰে ন্যায়ালয়ৰ বাৰ এছ'ছিয়েচনৰ তিনিদিনীয়া অনশন কাৰ্যসূচী আৰম্ভ।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ খোৱাং বিধান সভা সমষ্টিৰ আত্মসহায়ক গোটৰ প্ৰায় ২৩ হাজাৰ মহিলাৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰে। ৰাঙচালি পঞ্চায়তৰ ৰাজহুৱা খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী যোগেন মহন, স্থানীয় বিধায়ক চক্ৰধৰ গগৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে আজি লখিমপুৰ জিলাত  উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰাৰ লগতে ১৩২ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপনৰ কাৰ্যসূচীত অংশ লয়। মুখ্যমন্ত্ৰীয়ে উত্তৰ লখিমপুৰ চহৰৰ অনাময় ব্যৱস্থাৰ আধুনিকীকৰণ আৰু বিজ্ঞানসন্মত আৱৰ্জনা নিষ্কাষণৰ লক্ষ্যৰে ৪ এম এল ডি পয়ঃপ্ৰণালী প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে প্ৰশাসনিক সংস্কাৰ আৰু ক্ষমতা বিকেন্দ্ৰিকৰণৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে লখিমপুৰ জিলা আয়ুক্তৰ নৱ-নিৰ্মিত কাৰ্যালয় ভৱনৰ আধাৰশীলা স্থাপন কৰে। ড০ শৰ্মাই ৪০ কোটি  ৪৪ লাখ টকা ব্যয়সাপেক্ষে অসম মালা আঁচনিৰ অধীনত ন-আলিৰ পৰা কলিতাগাঁও চাৰিআলিলৈ পথ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৩০ কোটি টকা ব্যয় সাপেক্ষে জহিঙত নিৰ্মাণ কৰা নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰে।

ooooo

ভোটাৰ তালিকাৰ খচৰাত সন্দেহজনক লোকৰ নাম দেখা মাত্ৰেই কৰ্তন কৰাৰ বাবে যিকোনো ভাৰতীয় নাগৰিকে আবেদন জনাব পাৰে আৰু এয়া অত্যন্ত গুৰুত্বপূৰ্ণ দায়িত্ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ভোটাৰ তালিকাৰ খচৰাক লৈ বিভিন্ন ৰাজনৈতিক দলে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে সকলো ৰাজনৈতিক দলৰে সন্দেহজনক লোক দেখা মাত্ৰেই নাম কৰ্তন কৰাৰ বাবে উপযুক্ত পদ্ধতিৰে আবেদন জনোৱাৰ দায়বদ্ধতা আছে।

**বাইট (চি এম)**

অবৈধ নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰথমৰে পৰাই কঠোৰ স্থিতি গ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। সন্দেহজনক নাগৰিকৰ বিৰুদ্ধে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে ৬, ৭ আৰু ৮ নম্বৰ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি অভিযোগ দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে, ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা উচ্ছেদিত লোকসকলৰ নাম সেই অঞ্চলৰ ভোটাৰ তালিকাত নাথাকিব বুলিও মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। দখলীকৃত ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে কঠোৰভাৱে উচ্ছেদ অভিযান চলাই যাব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্ছেদিত লোকসকল যদি কোনো এটা স্থানলৈ গৈ নতুনকৈ বসতি কৰিবলৈ লয় নাইবা ভাৰাতীয়া হিচাপে থাকে তেতিয়া তেওঁলোকৰ নাম তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে।

ooooo

বৰ্তমানৰ এন ডি এ চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নত অগ্ৰাধিকাৰ দিছে বুলি কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙে প্ৰকাশ কৰিছে। গুৱাহাটীত আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অটল বিহাৰী বাজপেয়ীয়ে ড'নাৰ মন্ত্ৰালয়ৰ পৰিকল্পনা কৰিছিল আৰু বৰ্তমান চৰকাৰে তৃণমূল পৰ্যায়ত উন্নয়নৰ সপোন বাস্তৱায়িত কৰাৰ বাবে কাম কৰি আছে। সম্প্ৰতি উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰায় ৬ লাখ কোটি টকা বিনিয়োগ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ১০-১২ শতাংশ হৈছে। তেওঁ লগতে ৭৫ লাখ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলৰ পৰা মুক্ত কৰাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়। দেশৰ বস্ত্ৰ উদ্যোগে বিকাশ লাভ কৰা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

**বাইট (গিৰিৰাজ সিং)**

সন্মিলনত ভাগ লৈ বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কয়, যে বস্ত্ৰ মূল্য শৃংখলাৰ কোনো সীমা নাথাকে আৰু উমৈহতীয়া আন্তঃগাঁথনি, সূচল পৰিবহণ আৰু দক্ষতা বিকাশৰ সমন্বিত প্ৰচেষ্টাৰ ওপৰতে ইয়াৰ সফলতা নিৰ্ভৰ কৰে।

**বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)**

কেন্দ্ৰীয় সন্মিলনখনৰ বিষয়বস্তু হৈছে- **ভাৰতৰ বস্ত্ৰ ঃ বয়ন বিকাশ, ঐতিহ্য আৰু উদ্ভাৱন।** এই সন্মিলনত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বস্ত্ৰ মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰিছে। এই সন্মিলনৰ লক্ষ্য হৈছে বস্ত্ৰখণ্ডত নতুন নীতি, বিনিয়োগ, বহনক্ষমতা, ৰপ্তানি, আন্তঃগাঁথনিৰ বিকাশ আৰু বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত প্ৰযুক্তিগত উন্নয়নৰ দিশসমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰা। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০৩০ চনৰ ভিতৰত ভাৰতে বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত গোলকীয়ভাৱে সুকীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰিবলৈ বিচাৰিছে। সন্মিলনৰ সৈতে সংগতি ৰাখি দেশৰ বস্ত্ৰ শক্তি, উদ্ভাৱন আৰু সমৃদ্ধ ঐতিহ্যক চিহ্নিত কৰা এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। এই সন্মিলনে জিলাসমূহত বস্ত্ৰৰ মূল্য শৃংখল শক্তিশালী কৰাৰ লক্ষ্যৰে সৰ্বশ্ৰেষ্ঠ অনুশীলন, প্ৰত্যাহ্বান আৰু নীতিগত পৰামৰ্শসমূহৰ আদান-প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি সন্ধিয়া প্ৰায় চাৰে ছয় বজাত এটা মৃদু ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ৰিখ্টাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য ৪ দশমিক ১ আছিল। এই ভূমিকম্পৰ অভিকেন্দ্ৰ ঢেকিয়াজুলিৰ পৰা ১৪ কিলোমিটাৰ নিলগত আছিল। ভূমিকম্পৰ ফলত কোনো ক্ষয়-ক্ষতিৰ বাতৰি পোৱা হোৱা নাই।

ooooo

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, প্ৰয়াত ৰাজনীতিবিদ তথা বিজেপিৰ এগৰাকী জ্যেষ্ঠ নেতা কবিন্দ্ৰ পুৰকায়স্থৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে শিলচৰৰ শ্মশানঘাটত সম্পন্ন হয়। অসম প্ৰদেশ বিজেপিৰ পিতামহস্বৰূপ কবিন্দ্ৰ পুৰকায়স্থক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে অগণন লোকে ভিৰ কৰে। ইয়াৰ পূৰ্বে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা তেওঁৰ নশ্বৰদেহ কাছাৰ

জিলা বিজেপিৰ কাৰ্যালয়লৈ নিয়া হয় আৰু তাৰ পৰা জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰলৈ লৈ যোৱা হয়। ক্ৰীড়া সন্থাৰ খেলপথাৰতে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, বৰাক উপত্যকা উন্নয়নৰ বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, মন্ত্ৰী কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্যৰ লগতে কেইবাগৰাকী বিধায়ক, বিভিন্ন দলৰ নেতা-কৰ্মীকে ধৰি অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰয়াত ৰাজনীতিবিদগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰয়াত ৰাজনীতিবিদগৰাকীক উত্তৰ-পূৱ ভাৰতত বিজেপিৰ সাংগঠনিক ভেটি শক্তিশালী কৰা অভিভাৱকস্বৰূপ আছিল বুলি উল্লেখ কৰে।

**বাইট (দিলীপ শইকীয়া)**

00000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱৰ সৈতে মিলিত হয়। সাক্ষাৎকালত মুখ্যমন্ত্ৰীদ্বয়ে অসম আৰু মধ্যপ্ৰদেশৰ উন্নয়নৰ বিশদভাৱে আলোচনা কৰে। আলোচনাত উন্নয়নৰ কৌশল, প্ৰশাসন আৰু নাগৰিককেন্দ্ৰিক উদ্যমসমূহে আগস্থান লাভ কৰে।

00000

অসমীয়া কাব্য সাহিত্যৰ জোনাকী যুগৰ ত্ৰিমুৰ্তিৰ অন্যতম  হেমচন্দ্ৰ গোস্বামীৰ জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কবিগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। এই উপলক্ষে কবিগৰাকীৰ জন্মস্থান গোলাঘাটৰ ঢেকিয়ালত জ্যোতি শাখা সাহিত্য সভাৰ উদ্যোগত হেমচন্দ্ৰ গোস্বামী স্মৃতি দিৱসৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে ঢেকিয়ালৰ গৌৰাংগ সত্ৰত প্ৰয়াত কবিগৰাকীৰ ১৮৭২ চনৰ ৮ জানুৱাৰীত জন্ম হৈছিল। বহুমুখী প্ৰতিভাৰ অধিকাৰী হেমচন্দ্ৰ গোস্বামী একেধাৰে সফল প্ৰশাসনিক বিষয়া, বুৰঞ্জীবিদ, পুৰাতত্ত্ববিদ, সাংবাদিক, পণ্ডিত আৰু কবি আছিল। প্ৰথম অসমীয়া চনেট কবিতা প্ৰিয়তমাৰ চিঠি লিখি উলিওৱা এই সাহিত্যিকগৰাকীয়ে জীৱনজোৰা সাধনাৰে অসমীয়া ৰাইজক সমৃদ্ধ কৰি থৈ গৈছে। তথ্যপ্ৰযুক্তি, বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই হেমচন্দ্ৰ গোস্বামীৰ জন্মবাৰ্ষিকী উপলক্ষে অসমীয়া ভাষা-সাহিত্যৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা মহান সাহিত্যিকগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এটা বাৰ্তাত কয় যে অসমীয়া সাহিত্যৰ আধুনিক চিন্তাধাৰাৰ আৰম্ভণি কৰা এইগৰাকী বৰেণ্য সত্ত্বাই ইটালীয় আৰ্হিৰ চতুৰ্দশপদি চনেট ৰচনা কৰিছিল। তেখেতৰ অমৰ সৃষ্টি প্ৰিয়তমাৰ চিঠিয়ে অসমীয়া কবিতাক নতুন ভাৱ-অনুভূতি আৰু শৈলীৰে সমৃদ্ধ কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

00000

ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে অচিৰেই মুঠ ১১ হাজাৰ ১৩ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। এই অনুসৰি কাইলৈ এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক গুৱাহাটী খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে জনোৱা অনুসৰি পৰহিলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্ষৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ২৯২ গৰাকী চাহ জনগোষ্ঠী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৪৫ হাজাৰ ৬৬৪ৰ পৰা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

00000

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ হ'বলগীয়া বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ পুৱা ৯ বজাত ড° মনেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মুখ্য প্ৰৱেশদ্বাৰ বিটিচিৰ কাৰ্যবাহী সদস্য তথা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ধীৰাজ বৰগয়াৰীয়ে মুকলি কৰিব। ইয়াৰ পাছতে পদ্মলোচন বড়ো সোঁৱৰণী মুখ্য তোৰণ মুকলি কৰা হ'ব। ইয়াৰ পাছতে প্ৰতিনিধি শিবিৰ আৰু স্বেচ্ছাসেৱক শিবিৰসমূহ মুকলি কৰা হ'ব। দিনৰ চাৰে ১১ বজাত 'সপোনৰ পৰা গন্তব্য স্থানলৈ, প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰ কৌশল' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত কবি সন্মিলন আৰু চাৰে ৪ বজাত 'বড়োসকলৰ সমসাময়িক আৰ্থ-সামাজিক

জীৱন অন্বেষণ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাৰ পৰা প্ৰথম প্ৰতিনিধি সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। পৰহিলৈ স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১১ জানুৱাৰীৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

ooooo

অহা ১৭ জানুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বড়োসকলৰ বাগৰুম্বা নৃত্যৰে বিশ্ব অভিলেখ গঢ়াৰ কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰস্তুতি চলি আছে। আমাৰ নগাঁও জিলাৰ সংবাদদাতাই জনোৱা মতে নগাঁও চহৰৰ আৰক্ষী ছাউনীৰ খেলপথাৰত জিলাখনৰ ৩২৮ গৰাকী নৃত্য শিল্পী আৰু ১৪ গৰাকী বাদ্য শিল্পীক লৈ বাগৰুম্বা নৃত্যৰ অনুশীলন কৰা হৈছে। আজিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত এই অনুশীলনস্থলীত আজি দুপৰীয়া নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা আৰু জিলা আয়ুক্ত দেৱাশীষ শৰ্মা উপস্থিত হৈ শিল্পীসকলক উৎসাহিত কৰে। কোকৰাঝাৰ জিলাৰ পাঁচোটা বিধান সভা সমষ্টিৰ ১০ হাজাৰ শিল্পীয়ে বাগৰুম্বাৰ অনুশীলনত অংশ লৈছে। বিহু আৰু ঝুমইৰ বিনন্দিনীৰ পাছত বাগৰুম্বা নৃত্যৰে বিশ্ব অভিলেখ গঢ়াৰ বাবে আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব।

ooooo

উত্তৰ গুৱাহাটীৰ ৰংমহললৈ গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰোধিতাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছ'ছিয়েচনে আজিৰে পৰা তিনিদিনীয়াকৈ অনশন কাৰ্যসূচী গ্ৰহণ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পুৰণি ভৱনৰ সন্মুখত আজি বাৰ এছ'ছিয়েচনৰ উদ্যোগত উদ্যোক্তাসকলে অনশন কাৰ্যসূচীত অংশ লয়। বাৰ এছ'ছিয়েচনৰ সভাপতি কমল নয়ন চৌধুৰীয়ে সাংবাদিকৰ আগত উচ্চ ন্যায়ালয়ৰ স্থানান্তৰ বিষয়ত ক্ষোভ প্ৰকাশ কৰে। তেওঁ অহা ১১ জানুৱাৰীত উত্তৰ গুৱাহাটীৰ ৰংমহলত সংহত ন্যায়িক আদালত চৌহদত আধাৰশিলা স্থাপন কাৰ্যসূচীত অংশ লোৱাৰ বাৰ এছ'ছিয়েচন বিৰত থাকিব বুলি জানিবলৈ দিয়ে। এই বিষয়টোত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই কিছু লোকে ন্যস্ত স্বাৰ্থৰ বাবে অনাকাংশিত পৰিৱেশৰ সৃষ্টি কৰিছে বুলি মন্তব্য কৰে।

ooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি জাগীৰোডত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে জাগীৰোড সমজিলাৰ অন্তৰ্গত কুমৈ আঞ্চলিক মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি মধ্যাহ্ন ভোজন কৰে। শ্ৰীআচাৰ্যই ইয়াৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চৰকাৰে আগবঢ়োৱা চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ প্ৰতি আগ্ৰহী হোৱাৰ লগতে আধ্যাত্মিক চিন্তা-চৰ্চাৰে ভৱিষ্যতৰ সুনাগৰিক হ'বলৈ উৎসাহিত কৰে। ৰাজ্যপালগৰাকীয়ে ঝাৰগাঁৱত এটা কাৰ্যসূচীত অংশ লৈ যক্ষ্মা ৰোগীসকলৰ মাজত খাদ্যৰ টোপোলা বিতৰণ কৰে। তেওঁ লগতে ঝাৰগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ সভাকক্ষত মৰিগাঁও জিলাৰ চৰকাৰী বিভাগসমূহৰ মুৰব্বীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশ লয়।

ooooo

কাৰ্বি আংলং জিলাত প্ৰচুৰ পৰিমাণে উৎপাদিত আদাকে ধৰি কৃষিজাত সামগ্ৰীসমূহৰ বাবে বজাৰৰ ব্যৱস্থাৰ লগতে কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ বেচা-কিনাৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে আজি দিনজোৱা কাৰ্যসূচীৰে ডিফুত প্ৰথমবাৰৰ বাবে জিনজাৰ মহোৎসৱৰ আয়োজন কৰা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ৰীতেশ ইংহিয়ে উদ্বোধন কৰা এই মহোৎসৱত ভাৰতত থকা শ্ল'ভেনিয়াৰ ৰাষ্ট্ৰদূত ট'মাছ নিউচিন, অসম চৰকাৰৰ পৰ্যটন আৰু গৃহ বিভাগৰ আয়ুক্ত সচিব দিগন্ত বৰা, বোলছবি নিৰ্মাতা ববীতা শৰ্মাকে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শ্ল'ভেনিয়াৰ ৰাষ্ট্ৰদূতগৰাকীয়ে কাৰ্বি আংলঙত উৎপাদিত আদা অতি উন্নত মানৰ বুলি উল্লেখ কৰে। এই মহোৎসৱৰ সৈতে সংগতি ৰাখি পৰম্পৰাগত কাৰ্বি কৃষি পদ্ধতি, কৃষি পৰ্যটন বিষয়ত আলোচনা চক্ৰ অনুষ্ঠিত হয়। মহোৎসৱত ভালেসংখ্যক আদা উৎপাদনকাৰী গোটে অংশগ্ৰহণ কৰি তেওঁলোকৰ উৎপাদিত অন্যান্য উদ্যান শস্যসমূহো প্ৰদৰ্শন কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত অহা ১০ জানুৱাৰীৰ নিশা ৮ বাজি ২ মিনিটত ‘মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত’ শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। অনুষ্ঠানত ভাগ ল’ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী পাৰবিন হুছেইন।

০০০০০

সমাপ্ত